**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-11-2024 **Time :** 1910 Hrs.

***Assamese EVENING Bulletin***
***HEADLINES***

**----------------------------**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীৰ ভাৰত মণ্ডপমত আই চি এ গোলকীয় সমবায় সন্মিলন মুকলি কৰিব।

২। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৰে কাইলৈ আৰম্ভ হ'বলগীয়া সংসদৰ শীতকালীন অধিৱেশনত যিকোনো বিষয় আলোচনা কৰিবলৈ চৰকাৰ সাজু বুলি প্ৰকাশ কৰিছে।

৩। বিদেশ পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে তিনিদিনীয়া ভ্ৰমণসূচীৰে ইটালীৰ ৰোমত উপস্থিত হৈছে।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজনৈতিক পৃষ্ঠভূমি নথকা পৰিয়ালৰ যুৱক-যুৱতীসকলক ৰাজনীতিত যোগদান কৰিবলৈ আহ্বান জনাইছে। **আৰু**

৫। অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে পাৰ্থত অনুষ্ঠিত শৃংখলাৰ প্ৰথম টেষ্টত ভাৰতৰ জয়ৰ সম্ভাৱনা সজীৱ হৈ উঠিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীৰ ভাৰত মণ্ডপমত আই চি এ গোলকীয় সমবায় সন্মিলন মুকলি কৰিব। আন্তঃৰাষ্ট্ৰীয় সমবায় জোঁটৰ ১৩০ বছৰীয়া ইতিহাসত প্ৰথমবাৰৰ বাবে গোলকীয় সমবায় সন্মিলন তথা সাধাৰণ সভা ভাৰতত অনুষ্ঠিত হ'ব। এই উপলক্ষে শ্ৰী মোদীয়ে আন্তঃৰাষ্ট্ৰীয় সমবায় বৰ্ষ ২০২৫ৰ সৈতে সংগতি ৰাখি এটা স্মাৰক ষ্টাম্প মুকলি কৰিব। এই অনুষ্ঠানত প্ৰায় ৩ হাজাৰ বিদেশী তথা ভাৰতীয় প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। ছদিনীয়া কাৰ্যসূচীৰে আয়োজিত এই সন্মিলনত বিশ্বৰ বিভিন্ন প্ৰান্তৰ সমবায়সমূহ এলানি অনুষ্ঠান তথা আলোচনাৰ উদ্দেশ্যে একত্ৰিত হ'ব। এইবেলি এই সন্মিলনৰ বিষয়বস্তু হৈছে- সমবায়ে সকলোৰে বাবে সমৃদ্ধি কঢ়িয়াই আনে। এই সন্মিলনত সকলোৰে বাবে শান্তিপূৰ্ণ, সৰ্বাত্মক তথা সমৃদ্ধ ভৱিষ্যত সৃষ্টি কৰাৰ ক্ষেত্ৰত সমবায়ৰ ভূমিকা অন্বেষণ কৰা হ'ব। ভূটানৰ প্ৰধানমন্ত্ৰী ডাছ' শ্বাৰিং টবগে, ফিজিৰ উপ-প্ৰধানমন্ত্ৰী মানোৱা কামিকামিকায়ো অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে ১৮৯৫ চনত আন্তঃৰাষ্ট্ৰীয় সমবায় জোঁট স্থাপন কৰা হৈছিল।

ooooo

সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৰে কয়, যে কাইলৈ আৰম্ভ হ'বলগীয়া সংসদৰ শীতকালীন অধিৱেশনত যিকোনো বিষয় আলোচনা কৰিবলৈ চৰকাৰ সাজু। নতুন দিল্লীত অনুষ্ঠিত সৰ্বদলীয় বৈঠকৰ পাছত সংবাদমাধ্যমৰ সৈতে মত বিনিময় কৰি শ্ৰী ৰিজিজুৰে অধিৱেশৰ সময়ছোৱাত লোকসভা আৰু ৰাজ্যসভাৰ কাম-কাজ সুচাৰুৰূপে অব্যাহত থকাতো সুনিশ্চিত কৰিবলৈ বিৰোধী দলসমূহলৈ আহ্বান জনায়। কংগ্ৰেছৰ সাংসদ প্ৰমোদ তিৱাৰীয়ে কয়, যে দলটোৱে মণিপুৰৰ পৰিস্থিতি, নিবনুৱা সমস্যা, উত্তৰ-ভাৰতৰ

প্ৰদূষণ তথা এগৰাকী উদ্যোগপতিৰ ওপৰত উত্থাপিত অভিযোগ সন্দৰ্ভত আলোচনা কৰাৰ পোষকতা কৰিছে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে সৰ্বদলীয় বৈঠকত অধ্যক্ষতা কৰে। কেন্দ্ৰীয় মন্ত্ৰী অনুপ্ৰিয়া পেটেল, এল মুৰুগান, বিজেডিৰ সাংসদ শছমীত পাত্ৰ, সমাজবাদী পাৰ্টীৰ সাংসদ ৰামগোপাল য়াদৱ, এম ডি এম কেৰ সাংসদ ৱাইক', কংগ্ৰেছৰ সাংসদ প্ৰমোদ তিৱাৰী, জয়ৰাম ৰমেশকে ধৰি অন্যান্যসকলে সৰ্বদলীয় বৈঠকত অংশগ্ৰহণ কৰে। সংসদৰ শীতকালীন অধিৱেশন ২০ ডিচেম্বৰত অধিৱেশনৰ অন্ত পৰিব। অৱশ্যে সংবিধান দিৱসৰ সৈতে সংগতি ৰাখি অহা ২৬ নৱেম্বৰত সংসদৰ কাম-কাজ বন্ধ থাকিব।

০০০০০

বিদেশ পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে তিনিদিনীয়া ভ্ৰমণসূচীৰে ইটালীৰ ৰোমত উপস্থিত হৈছে। তেওঁ ইটালীৰ ফিউগী ভ্ৰমণ কৰিব আৰু জি-ছেভেন বিদেশ মন্ত্ৰীৰ বিশেষ বৈঠকত অংশগ্ৰহণ কৰিব। এই বৈঠকত ভাৰতক অতিথি দেশ হিচাপে আমন্ত্ৰণ কৰা হৈছে। এই ভ্ৰমণৰ সময়ছোৱাত মন্ত্ৰীগৰাকীয়ে ৰোমত এম ই ডি ভূমধ্য সাগৰীয় আলোচনাৰ দশম সংস্কৰণতো অংগ্ৰহণ কৰিব। ড০ এছ জয়শংকৰে ৰোমত ভাৰতীয় দূতাবাসৰ নতুন চৌহদো মুকলি কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজনৈতিক পৃষ্ঠভূমি নথকা পৰিয়ালৰ যুৱক-যুৱতীসকলক ৰাজনীতিত যোগদান কৰিবলৈ আহ্বান জনাইছে। আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি আজি ৰাষ্ট্ৰক উদ্দেশ্য কৰি ভাষণ দি শ্ৰীমোদীয়ে এইদৰে আহ্বান জনায়। শ্ৰীমোদীয়ে লগতে অহা বছৰ স্বামী বিবেকানন্দৰ ১৬২ সংখ্যক জন্মবাৰ্ষিকীৰ দিনা দিল্লীত বিকশিত ভাৰত যুৱ নেতাসকলৰ আলোচনা অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰে।

তেওঁ কয়, যে মাতৃৰ নামত এজোপা গছ অভিযানৰ অধীনত মাত্ৰ ৫ মাহৰ ভিতৰত ১০০ কোটি গছপুলি ৰোপণৰ গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি অতিক্ৰম কৰা হৈছে।

পৰিস্কাৰ পৰিচ্ছন্নতা সন্দৰ্ভত শ্ৰীমোদীয়ে কয় যে চৰকাৰী কাৰ্যলয়ৰ দশক-দশক পুৰণি ফাইল আৰু ব্যৱহাৰ নোহোৱা পুৰণি সামগ্ৰী আঁতৰ কৰাৰ বাবে বিশেষ পৰিস্কাৰ পৰিচ্ছন্নতা অভিযান আৰম্ভ কৰা হৈছে।

ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী -এনচিচি দিৱস উপলক্ষে শ্ৰীমোদীয়ে শিক্ষাৰ্থীৰ বাহিনীৰ সদস্য হৈ থকা সময়চোৱাৰ কথা স্মৰণ কৰে। তেওঁ কয় যে এন চি চিয়ে যুৱ প্ৰজন্মৰ মাজত অনুশাসন, নেতৃত্ব আৰু সেৱাৰ মনোভাৱ যোগাই তোলে।

প্ৰধানমন্ত্ৰী কয় যে, ভূপালৰ মহেশে তেওঁৰ অঞ্চলৰ বহুতো বয়োজ্যেষ্ঠ লোকক মোবাইল ফোনৰ জৰিয়তে ধন পৰিশোধ কৰিবলৈ শিকাইছে। শ্ৰীমোদীয়ে আৰু কয়, আহমেদাবাদৰ ৰাজীৱ নামৰ যুৱকজনে বহুতো বয়োজ্যেষ্ঠ লোকক ডিজিটেল মাধ্যমৰ জৰিয়তে হ'ব পৰা বিপদৰ পৰা ৰক্ষা কৰে।

প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে গ্ৰন্থ মানুহৰ শ্ৰেষ্ঠ বন্ধু, পুথিভঁৰালবোৰ হৈছে এই বন্ধুত্ব শক্তিশালী কৰাৰ এটা স্থান। প্ৰধানমন্ত্ৰীগৰাকীয়ে শেহতীয়া গায়েনা ভ্ৰমণৰ বিষয়ে আনন্দ প্ৰকাশ কৰি কয়, যে গায়েনাত এখন মিনি ইণ্ডিয়া বাস কৰে।

০০০০০

মহাৰাষ্ট্ৰত চৰকাৰ গঠনৰ কাম-কাজসমূহে ক্ৰমান্বয়ে গতি লাভ কৰিছে। বিজেপি, শিৱসেনাৰ মহায়ুটী আৰু এন পি পিয়ে ৰাজ্যখনত বৃহৎ জয় সাব্যস্ত কৰিছে। ৰাজ্যখনত দলীয় কাম-কাজ পূৰ্ণগতিত অব্যাহত

আছে। বিজেপিৰ জ্যেষ্ঠ নেতাই কালি সদৰি কৰা অনুসৰি নতুন মুখ্যমন্ত্ৰী বাছনি কৰাৰ পূৰ্বে তিনিওটা দলৰে বিধায়িনী বৈঠকত পৃথককৈ অনুষ্ঠিত হ'ব। নেচনেলিষ্ট কংগ্ৰেছ পাৰ্টীৰ নেতাসকলৰ এখন বৈঠক দলটোৰ মুৰব্বী অজিৎ পাৱাৰৰ বাসগৃহত অনুষ্ঠিত হৈছে। বিজেপিৰ মহাৰাষ্ট্ৰৰ মুৰব্বী চন্দ্ৰশেখৰ বাৱানকুলেই মুম্বাইত দলীয় নেতাসকলৰ সৈতে অনুষ্ঠিত এখন বৈঠকত অধ্যক্ষতা কৰে। শিৱসেনাৰ বিধায়িনী দলৰ এখন বৈঠক আজি সন্ধিয়াৰ ভাগত আয়োজিত হোৱাৰ কথা। বৰ্তমানৰ বিধানসভাৰ কাৰ্যকাল অহা ২৬ নৱেম্বৰত অন্ত পৰাৰ পূৰ্বে নতুন চৰকাৰ গঠন হ'ব। ২৮৮ জনীয়া বিধানসভাত বিজেপিয়ে ১৩২ খন আসন দখল কৰি একক বৃহৎ দল হিচাপে পৰিগণিত হৈছে। শিৱসেনাই ৫৭ খন আসনত জয়লাভ কৰাৰ বিপৰীতে এন চি পিয়ে ৪৮ খন আসনত জয়লাভ কৰিছে।

ooooo

ঝাৰখণ্ড মুক্তি মৰ্চাৰ কাৰ্যবাহী সভাপতি হেমন্ত চোৰেন আই এন ডি আই মিত্ৰজোঁটৰ বিধায়িনী দলৰ নেতা হিচাপে আজি বাছনি লাভ কৰে। আজি বিয়লি ৰাঁচীত মিত্ৰজোঁটটোৰ নৱনিৰ্বাচিত বিধায়কসকলৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই বৈঠকত ঝাৰখণ্ড মুক্তি মৰ্চা, কংগ্ৰেছ, আৰ জে ডি, চি পি আই এম এলৰ নৱনিৰ্বাচিত বিধায়কসকলে ভাগ লয়। নৱনিৰ্বাচিত হেমন্ত চোৰেনে ৰাজ্যপালক সাক্ষাৎ কৰি নতুন চৰকাৰ গঠনৰ বাবে দাবী উত্থাপন কৰাৰ সম্ভাৱনা আছে। ঝাৰখণ্ডত ৮১ জনীয়া বিধানসভাত আই এন ডি আই মিত্ৰজোঁটে ৫৬ খন আসনত জয়লাভ কৰাৰ বিপৰীতে বিজেপি নেতৃত্বাধীন এন ডি এয়ে ২৪ খন আসনত জয়লাভ কৰে। আনহাতে ঝাৰখণ্ড লোকতান্ত্ৰিক ক্ৰান্তিকাৰী মৰ্চাই এখন আসনত জয়লাভ কৰে।

ooooo

গোৱাত চলি থকা ৫৫ সংখ্যক আন্তঃৰাষ্ট্ৰীয় মহোৎসৱ ২০২৪ত আজি **ভৱিষ্যতৰ সৃজনীশীল মন শিতান**ৰ ফলাফল ঘোষণা কৰা হয়। এই শাখাত গ্ৰীন দলৰ **গুল্লু** নামৰ ছবিখনে শ্ৰেষ্ঠ ছবিৰ সন্মান অৰ্জন কৰে। ছবিখনে ৫ লাখ টকাৰ নগদ ধন পুৰস্কাৰ হিচাপে লাভ কৰে। একেখন ছবিৰে পুষ্পেন্দ্ৰ কুমাৰে শ্ৰেষ্ঠ অভিনেতা আৰু **লভফ্লিক্স ছাবছক্ৰিপচন** ছবিৰ ভিশাখা নাইকে শ্ৰেষ্ঠ অভিনেত্ৰীৰ সন্মান অৰ্জন কৰে।

প্ৰতিযোগিতাৰ বাবে বাছনি কৰা এশজন যুৱ অংশগ্ৰহণকাৰীক ২০ গৰাকীকৈ ৫টা দলত ভাগ কৰা হৈছিল। তেওঁলোকক ৪৮ ঘণ্টাৰ ভিতৰত একোখনকৈ চুটি ছবি নিৰ্মাণৰ দায়িত্ব দিয়া হৈছিল। এই প্ৰতিযোগিতাই চলচ্চিত্ৰ নিৰ্মাণৰ ক্ষেত্ৰত দেশৰ যুৱক-যুৱতীসকলক আকৰ্ষিত কৰিব বুলি আশা কৰা হৈছে।

oooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে প্ৰতি দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰচাৰ কৰি অহা **চলন্তিকা** অনুষ্ঠানটোৰ নাম পূৰ্বৰ **সংবাদ চলন্তিকা**লৈ পুনৰ নামকৰণৰ সিদ্ধান্ত লৈছে। **সংবাদ চলন্তিকা**ৰ প্ৰথমটো অনুষ্ঠান আজি নিশা ৭ বাজি ৪৫ মিনিটত প্ৰচাৰিত হ'ব। এই অনুষ্ঠানত অসমৰ ৰে'লসেৱাৰ সাম্প্ৰতিক দৃশ্যপট আৰু জনসাধাৰণৰ প্ৰত্যাশা সম্পৰ্কত বিভিন্ন জিলাৰ সংবাদদাতাসকলে জনসাধাৰণৰ পৰা সংগ্ৰহ কৰা মতামত প্ৰচাৰ কৰা হ'ব। বাতৰি বিভাগৰ হৈ অনুষ্ঠানটো প্ৰযোজনা কৰিব ৰাজীৱ লোচন বৰঠাকুৰে।

ooooo

অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে পাৰ্থত অনুষ্ঠিত শৃংখলাৰ প্ৰথম টেষ্টত ভাৰতৰ জয়ৰ সম্ভাৱনা সজীৱ হৈ উঠিছে। খেলখনত আজি তৃতীয় দিনা অষ্ট্ৰেলিয়াই দ্বিতীয় ইনিংছত জয়ৰ বাবে ৫৩৪ ৰাণৰ লক্ষ্যৰে খেলি

দিনান্তত তিনিটা উইকেটৰ বিনিময়ত ১২ ৰাণ স ংগ্ৰহ কৰিছে। সম্পূৰ্ণ দুটা দিনৰ খেল বাকী থকা অৱস্থাত ঘৰুৱা দলটোক জয়ৰ বাবে এতিয়াও ৫২২ ৰাণৰ প্ৰয়োজন। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাই দুটা আৰু মহম্মদ চিৰাজে আনটো উইকেট দখল কৰে। উল্লেখযোগ্য যে ভাৰতে আজি ৬ উইকেটত ৪৮৭ ৰাণ কৰি দ্বিতীয় ইনিংছ ঘোষণা কৰে। ভাৰতৰ ইনিংছত অপেনাৰ যশস্বী জয়ছ্ৱাল আৰু বিৰাট কোহলীয়ে অনবদ্য শতক অৰ্জন কৰে। জয়ছ্ৱাল ১৬১ ৰাণত আউট হ'লেও কোহলী ১০০ ৰাণত অপৰাজিত হৈ ৰয়। অষ্ট্ৰেলিয়াৰ মাটিত জয়ছ্ৱালে খেলুৱৈ জীৱনৰ প্ৰথমটো টেষ্ট শতক অৰ্জন কৰিবলৈ সমৰ্থ হয়। আগদিনাৰ অপৰাজিত বেটাৰ কে এল ৰাহুলে ৭৭, নিতীশ কুমাৰ ৰেড্ডীয়ে ৩৮ আৰু ৱাশ্বিংটন সুন্দৰে ২৯ ৰাণৰ বৰঙণি আগবঢ়ায়।

০০০০০

সমাপ্ত